জাতিৰ সেৱাত উৎসৰ্গিত (৬১) বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

https://dainikasam.in

ৰ । ১৫১ সংখ্যা, ২০ পুহ, সোমবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 151। DIBRUGARH, MONDAY, JANUARY 5, 2026 ।পৃষ্ঠা ১৬ (Pages

হিমন্ত বিশ্ব শৰ্মাৰ

## ছৰ অতিক্ৰম

নিয়োজিত আৰু
অনুসৰি বিভিন্ন
ন্ন সামাজিক স্তৰ
ত তালিকাভুক্ত
এক পৰিক্ৰমাত
কীকৰণ আইন
চনত 'টিউটৰ'
ৱা শিক্ষকসকলৰ
কৰণ আইন মতে,
আইন মতে পাব
গত পাঁচটা বছৰে
তে, একে আইনৰ
কীকৰণৰ চৰকাৰী
ৰ ভিতৰত অৰ্থাৎ
১-০১-২০২৬ৰ

ভিতৰত প্ৰয়োজনীয় অৰ্হতা অৰ্জন কৰা বিষয়টো উল্লেখ থকাৰ পাছতো বিভাগে পাঁচ বছৰত কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ ফলত শিক্ষকতা সেৱা আগবঢ়াই অহা টিউটৰসকল বঞ্চিত আৰু উপেক্ষিত হৈ ৰ'ল। তদুপৰি আন শিক্ষক-কৰ্মচাৰীসকলে লাভ কৰি অহা পেঞ্চন আৰু অনান্য সুবিধাৰ পৰা আঁতৰত ৰখা 'টিউটৰ'সকলক সাম্প্ৰতীক মুদ্ৰাস্ফীতিৰ সময়ত সংশোধনীৰ যোগেদি কেৱল বাৰ্ষিক ছয় শতাংশ বৃদ্ধি সমগ্ৰ 'টিউটৰ'ক পুতৌৰ পাত্ৰ কৰাই নহয় দুৰ্দিনত শৈক্ষিক-সামাজিকৰ সমাজ জীৱনত অৱদান আগবঢ়াই অহা এইসকল কৰ্মচাৰীক চৰম ভেঙুচালি কৰিছে বুলি তেওঁলোকে বিবৃতিটোত উল্লেখ কৰিছে।

## পানী পঞ্চায়তত

## ত্তাৰ উত্তাল প্ৰতিবাদ

## 'মনৰ পৰিৱৰ্তন নহ'লে সমাজ পৰিৱৰ্তন সম্ভৱ নহয়'

### জোনাকৰ প্ৰতিষ্ঠা দিৱসত ডঃ শশীকান্ত শইকীয়া

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিব্ৰুগড়, ৪ জানুৱাৰী ঃ** মনৰ পৰিৱৰ্তন নহ'লে সমাজ পৰিৱৰ্তন সম্ভৱ নহয়। সমাজ পৰিৱৰ্তন কৰিবলৈ হাতে-কামে উদাহৰণ দাঙি ধৰাৰ প্ৰয়োজন। সেৱা আৰু গঠনমূলক কাম-কাজে সমাজ পৰিৱৰ্তন কৰিব পাৰে, মানুহৰ মন পৰিৱৰ্তন কৰিব পাৰে। অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট লেখক, সাহিত্যিক, ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই ১ জানুৱাৰীত এইদৰে কয়। বিনৈগুটীয়া সূৰ্যোদয় সংঘৰ সৌজন্যত অনুষ্ঠিত বৃহত্তৰ গৰুধৰীয়া মধুপুৰ অঞ্চলৰ জনপ্ৰিয় সামাজিক, সাংস্কৃতিক, শৈক্ষিক অনুষ্ঠান 'জোনাক'ৰ একাদশ প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ডঃ শইকীয়া। ৰাজকুমাৰ ছেত্ৰীৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যসূচীত ডঃ শইকীয়াই লগতে কয়— কেৱল আনৰ উদাহৰণ দি আনক




প্ৰভাৱিত কৰাতকৈ নিজেই হাতে-কামে কৰি উদাহৰণ দেখুৱাব পৰাটোহে এক মহৎ কাম। ধৈৰ্য বৰুৱাই উদ্বোধন কৰা, সাধাৰণ সম্পাদক মৃদুল পাত্ৰই আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাত বিশিষ্ট সমাজকৰ্মী, শিক্ষক তথা কাৰ্যকৰী সভাপতি খুবেন পাত্ৰ, সাংগঠনিক সম্পাদক দীপক কুমাৰ গগৈ প্ৰমুখ্যে জোনাকৰ বিষয়ববীয়াসকলৰ লগতে কেইবাশ লোক উপস্থিত থাকে। অনুষ্ঠানৰ লগত সংগতি ৰাখি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সম্বৰ্দ্ধনা জনোৱা হয়।